Total No. of Printed Pages—3

**2 SEM TDC ASM H (CBCS) C 3**

**2022**

( June/July )

ASSAMESE

( Core )

Paper : C-3

( ভাষা বিজ্ঞানৰ পৰিচয় )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ভাষাৰ মৌলিক উপাদান কেইটা আৰু কি কি? উপাদানসমূহৰ বিষয়ে আলোচনা কৰা। ১+২+১২=১৫

অথবা

(খ) চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(১) সামাজিক উপভাষা

(২) সংযোগী ভাষা

(৩) নৃ-গোষ্ঠীয় উপভাষা

(৪) পিজিন

২। (ক) তুলনামূলক ভাষাবিজ্ঞান কাক বোলে? ভাষাসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয়ৰ ক্ষেত্ৰত তুলনামূলক ভাষাবিজ্ঞানে কেনেদৰে সহায় কৰে, উদাহৰণসহ আলোচনা কৰা। ৩+১২=১৫

*অথবা*

(খ) বৰ্ণনাত্মক ভাষাবিজ্ঞান আৰু সমাজ ভাষাবিজ্ঞানৰ বৈশিষ্ট্য উল্লেখ কৰি এটি নিবন্ধ যুগুত কৰা। ১৫

৩। (ক) ধ্বনিবিজ্ঞান কাক বোলে? ধ্বনিবিজ্ঞান কেইপ্ৰকাৰৰ আৰু কি কি? ধ্বনিবিজ্ঞানৰ যি কোনো দুটা শাখাৰ বিষয়ে আলোচনা কৰা। ২+১+৩+৮=১৪

*অথবা*

(খ) তলৰ যি কোনো দুটাৰ বিষয়ে লিখা : ৭+৭=১৪

(১) ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব

(২) বাক্যতত্ত্ব

(৩) অৰ্থবিজ্ঞান

৪। (ক) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজা? বৰ্গীকৰণৰ পদ্ধতি-কেইটাৰ নাম উল্লেখ কৰি যি কোনো এটা পদ্ধতিৰ বিষয়ে আলোচনা কৰা। ২+৩+১০=১৫

*অথবা*

(খ) চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ অন্তৰ্গত অসমত প্ৰচলিত যি কোনো দুটা ভাষাৰ বৈশিষ্ট্য সামৰি এটি আলোচনা আগবঢ়োৱা। ১৫





৫। (ক) অসমত ভাষা চৰ্চাৰ ইতিহাস সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১৬

*অথবা*

(খ) পাশ্চাত্যৰ ভাষা চৰ্চাত মিছনেৰীসকলৰ ভাষা চৰ্চাৰ ধাৰা আৰু নব্য বৈয়াকৰণিক ধাৰাৰ বিষয়ে আলোচনা কৰা। ৮+৮=১৬

৬। চমু উত্তৰ দিয়া : ১×৫=৫

(ক) পাণিনিৰ ‘অষ্টাধ্যায়ী’ ব্যাকৰণখনক ‘মানৱ বুদ্ধিমত্তাৰ সৰ্বোৎকৃষ্ট নিদৰ্শন’ বুলি কোনে মন্তব্য কৰিছিল?

(খ) তুলনামূলক ভাষা অধ্যয়নৰ বাটকটীয়া ব্যক্তিজনৰ নাম কি?

(গ) অসমীয়াত লিখা অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখনৰ নাম কি?

(ঘ) অসমীয়া ধ্বনিতত্ত্ব সম্পৰ্কে লিখা প্ৰথম গ্ৰন্থখনৰ নাম কি?

(ঙ) ‘আধুনিক ভাষা-বিজ্ঞানৰ পৰিচয়’ গ্ৰন্থখনৰ লেখক কোন?

★★★